জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...বছৰ, সংখ্যা ১০০ ● বুধবাৰ ● ১ পুহ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Wednesday December 17, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁ...

## যোৰহাটত দিন-দুপৰতে যুৱতীক শ্লীলতা হানিৰ চেষ্টা

যোৰহাট ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৬ ডিচেম্বৰ ঃ যোৰহাট নগৰৰ মাজমজিয়াৰ পুৰণা আৱৰ্ত ভৱন পথৰ চাৰিআলিত আজি চাঞ্চল্যকৰ ঘটনা ঘটে। আজি দিনৰ ভাগতে এজন যুৱকে আকস্মিকভাৱে এগৰাকী যুৱতীক শাৰীৰিকভাৱে অপদস্থ কৰাৰ চেষ্টা কৰে। লম্পট যুৱকজনৰ ব্যৱহাৰত অতিষ্ঠ হৈ যুৱতীগৰাকীয়ে চিঞৰ-বাখৰ কৰাত সমৱেত ৰাইজে যুৱকজনক লপাথপা দিয়াত আহত হয়। যুৱতীগৰাকীয়েও তেওঁক প্ৰহাৰ কৰে বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ যুৱকজনক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে জে এম চি এইচলৈ প্ৰেৰণ কৰে। যুৱকজন জাঁজীমুখৰ বুলি জানিব পৰা গৈছে।

## কানৈ মহাবিদ্যালয়ত ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণী অনুষ্ঠান



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৬ ডিচেম্বৰ ঃ শিকাৰ কোনো বয়স নাই, শিকাৰ কোনো পৰিধি নাই। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) 'ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণী-২০২৫' উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে আজি এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে কয় যে ৰে'ল ষ্টেছনৰ ছিৰিত উঠাটোৱেই হ'ল মানুহৰ জীৱন। মানুহৰ জীৱনটোত সমাজখনৰ বাবে কৰিব লাগিব আৰু নিজৰ কাৰণেও কৰিব লাগিব। তেওঁ কয় যে কেৱল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰি ভৱেন্দ্ৰ নাথ শইকীয়াক চিনি নাপাওঁ বুলি কৈ অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিলেও সেয়া প্ৰকৃত শিক্ষা নহয়। সভাখনত মন্ত্ৰী ফুকনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই অভিলাষী আঁচনিখনে আধাতে শিক্ষা সাং কৰা ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা আৰু বাল্য বিবাহ ৰোধ কৰাত অধিক ফলপ্ৰসু ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অধ্যাপিকা ড° সুদৰ্শনা বৰাই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ আগবঢ়ায়। অনুষ্ঠানতে মন্ত্ৰী ফুকনে ডিব্ৰুগড় জিলাৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে 'ড° বাণীকান্ত কাকতি মেধা বঁটা-২০২৫'-ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপক আদিত্য দাহাল, অধ্যাপক ড° অপূৰ্ব দত্তকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মন্ত্ৰী ফুকনক ফুলাম গামোচা, মানপত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত এখন স্থিৰ চিত্ৰৰে আদৰণি জনোৱা হয়।

ভোলাগুৰি অঞ্চলত তাণ্ডৱ চলায়। গ...
কপালৰ ঘাম মাটিত পেলাই কৰা ...
চপোৱাৰ আগতেই বন্য হস্তীয়ে খা...
কৰে। সোণোৱালী পথাৰত বন্য হস্তী...
আতংকৰ সৃষ্টি কৰিছে খুমটাইৰ ...
গাঁৱত। ধনশিৰি নদী পাৰ হৈ জনাঞ্চ...
কৰা প্ৰায় ৬০/৭০ জনীয়া হাতীৰ ...

## টাইপা আৰ...



গোলাঘাট ঃ নিজা প্ৰতিবেদক, ১৬ ...
টাই আহোম যুৱ পৰিষদ, অসম (টা...
টাই আহোম মহিলা পৰিষদৰ ...
আয়োজন কৰা গোলাঘাট জিলা অধি...
...বঁটা প্ৰদান-২০২...